**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 16-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত ষ্টাৰ্টআপ ইণ্ডিয়া উদ্যমৰ এটা দশক সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

২। প্ৰধানমন্ত্ৰীয়ে পশ্চিমবংগৰ হাওৰা আৰু অসমৰ কামাখ্যা সংযোগী নতুন বন্দে ভাৰত শ্লীপাৰ এক্সপ্ৰেছ ৰে'ল গাড়ীকে ধৰি কেইবাখনো ৰে'লৰ যাত্ৰাৰ কাইলৈ শুভাৰম্ভ কৰিব।

৩। ভাৰত আৰু ইজৰাইলে মৎস্য আৰু জলজ কৃষি খণ্ডত সহযোগিতা শক্তিশালী কৰাৰ উদ্দেশ্যে এখন যুটীয়া মন্ত্ৰীপৰ্যায়ৰ ঘোষণা পত্ৰত স্বাক্ষৰ কৰিছে।

৪। ভাৰতৰ শক্তি উৎপাদন ক্ষমতা ২০২৫ চনত ৫১০ গিগাৱাটলৈ বৃদ্ধি পাইছে বুলি কেন্দ্ৰীয় মন্ত্ৰী মনোহৰ লালে প্ৰকাশ কৰিছে।

*আৰু*

৫। আই চি চি ১৯ বছৰ অনুৰ্ধ পুৰুষ ক্ৰিকেট বিশ্বকাপৰ উদ্বোধনী খেলত ভাৰতে আমেৰিকাক ছয় উইকেটত পৰাস্ত কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত ষ্টাৰ্টআপ ইণ্ডিয়া উদ্যমৰ এটা দশক সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে দেশৰ ষ্টাৰ্ট আপ ব্যৱস্থাৰ সৈতে জড়িত লোকসকলৰ সৈতে মতবিনিময় কৰিব। ষ্টাৰ্টআপ খণ্ডৰ বচা বচা প্ৰতিনিধিয়ে তেওঁলোকৰ উদ্যমী যাত্ৰাৰ অভিজ্ঞতাৰ বিষয়ে অনুষ্ঠানত অৱগত কৰিব।

উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী মোদীয়ে উদ্ভাৱন, উদ্যমশীলতাৰ প্ৰসাৰ আৰু বিনিয়োগ আধাৰিত বিকাশ সুনিশ্চিত কৰাৰ উদ্দেশ্যে ২০১৬চনৰ ১৬ জানুৱাৰীত ষ্টাৰ্ট আপ ইণ্ডিয়া উদ্যম মুকলি কৰিছিল। ভাৰতবৰ্ষক চাকৰি প্ৰত্যাশীৰ পৰিৱৰ্তে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিকাৰী ৰাষ্ট্ৰৰূপে গঢ়িতোলাই এই উদ্যমৰ মূল উদ্দেশ্য।

বিগত দশকত ষ্টাৰ্টআপ ইণ্ডিয়া ভাৰতৰ অৰ্থনৈতিক আৰু উদ্ভাৱনমূলক পৰিকাঠামোৰ মূল ভেটি ৰূপে পৰিগণিত হৈছে। এই উদ্যমে প্ৰতিষ্ঠানগত ব্যৱস্থা সবল কৰি তুলিছে আৰু পুঁজি তথা দিকনিৰ্দেশনা লাভৰ প্ৰক্ৰিয়া সুগম কৰি তুলিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগৰ হাওৰা আৰু অসমৰ কামাখ্যা সংযোগী নতুন বন্দে ভাৰত শ্লীপাৰ এক্সপ্ৰেছ ৰে'ল গাড়ীকে ধৰি কেইবাখনো ৰে'লৰ যাত্ৰাৰ কাইলৈ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে মুকলি কৰিবলগীয়া আন ৰে'লগাড়ীসমূহ হৈছে- নিউ জলপাইগুৰি-নাগেৰকইল অমৃত ভাৰত এক্সপ্ৰেছ, নিউ জলপাইগুৰি-তিৰুচিৰাপল্লি অমৃত

ভাৰত এক্সপ্ৰেছ, আলিপুৰদুৱাৰ-এছ এম বি টি বেংগালুৰু অমৃত ভাৰত এক্সপ্ৰেছ, আলিপুৰদুৱাৰ-মুম্বাই পনৱেল অমৃত ভাৰত এক্সপ্ৰেছ, ৰাধিকাপুৰ-এছ এম বি টি বেংগালুৰু মেইল এক্সপ্ৰেছ আৰু বেলুৰঘাট-এছ এম বি টি বেংগালুৰু মেইল এক্সপ্ৰেছ। এই ৰে'লসমূহৰ শুভাৰম্ভণিৰ ফলত পশ্চিমবংগ, অসম, বিহাৰ, উড়িশা, অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, তামিলনাডু, উত্তৰ প্ৰদেশ আৰু মধ্যপ্ৰদেশৰ মাজত যোগাযোগ সুচল হৈ উঠিব। তদুপৰি ৰে'লৰে খণ্ডত এই পদক্ষেপে অসমৰ কামৰূপ মহানগৰ, বঙাইগাঁও আৰু কোচ বিহাৰ, পশ্চিমবংগৰ জলপাইগুৰি, মালডা, মুৰ্ছিদাবাদ, পূৰ্ববৰ্ধমান, হুগলী আৰু হাওৰাৰ দৰে অঞ্চলসমূহত বাণিজ্য, পৰ্যটন আৰু সামাজিক-অৰ্থনৈতিক বিকাশত সহায় কৰিব। শ্ৰী মোদীয়ে অহা দেওবাৰে হাওৰা-আনন্দ বিহাৰ টাৰ্মিনেল অমৃত ভাৰত এক্সপ্ৰেছ, শিয়ালদহ-বাৰানসী অমৃত ভাৰত এক্সপ্ৰেছ আৰু ছন্তৰাগাছী-তাম্বাৰাম অমৃত ভাৰত এক্সপ্ৰেছ ৰে'ল গাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব।

ooooo

ভাৰত আৰু ইজৰাইলে মৎস্য আৰু জলজ কৃষি খণ্ডত সহযোগিতা শক্তিশালী কৰাৰ উদ্দেশ্যে এখন যুটীয়া মন্ত্ৰীপৰ্যায়ৰ ঘোষণা পত্ৰত স্বাক্ষৰ কৰিছে। ইজৰাইলত অনুষ্ঠিত **ব্লু ফুড ছিকিউৰিটি ঃ ছি দ্যা ফিউছাৰ ২০২৬** শীৰ্ষক দ্বিতীয় গোলকীয় সন্মিলনত এই ঘোষণা পত্ৰত স্বাক্ষৰ কৰা হয়। মৎস্য, পশুপালন আৰু দুগ্ধ মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে এই ঘোষণাপত্ৰৰ জৰিয়তে উন্নত জলজ কৃষি পদ্ধতি, মৎস্য পালন আৰু ক্ষমতা নিৰ্মাণৰ ক্ষেত্ৰত যুটীয়া গৱেষণা আৰু বিকাশত গুৰুত্ব দিয়া হ'ব। তদুপৰি জেনেটিক উন্নীত কাৰ্যসূচী, সামুদ্ৰিক কৃষি আৰু ইজৰাইলৰ জল সংৰক্ষণ পদ্ধতিৰ জৰিয়তে জলজ কৃষি ব্যৱস্থাপনা আদি বিষয়ো অন্তৰ্ভুক্ত হ'ব। এই ঘোষণা পত্ৰৰ জৰিয়তে নীল অৰ্থনীতিৰ বিকাশত সহযোগিতা শক্তিশালী কৰাৰ লক্ষ্যৰে মৎস্য পালন আৰু জলজ কৃষি খণ্ডত ষ্টাৰ্টআপ সমূহক সমৰ্থন আগবঢ়োৱাৰ ক্ষেত্ৰতো গুৰুত্ব দিয়া হ'ব বুলি মন্ত্ৰালয়ে উল্লেখ কৰিছে।

ইজৰাইলৰ এইলাটত অনুষ্ঠিত তিনি দিনীয়া গোলকীয় সন্মিলনৰ কালি সামৰণি পৰে। মৎস্য পালন, পশু পালন আৰু দুগ্ধ দপ্তৰৰ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে সন্মিলনত ভাৰতক প্ৰতিনিধিত্ব কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে কাইলৈ বিয়লি গুৱাহাটীত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। এই অনুষ্ঠানৰ বাবে যাৱতীয় প্ৰস্তুতি চলি আছে। অসমৰ চহকী ঐতিহ্য বড়োসকলৰ বাগৰুম্বা নৃত্যৰ বিশ্বজুৰি প্ৰসাৰৰ অৰ্থে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি ৰাজ্যখনৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে পৰহিলৈ কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত অংশ ল'ব আৰু এই সভাতে কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব।

তেওঁ লগতে এই ভ্ৰমণৰ সময়তে ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ আৰু গুৱাহাটীৰ পৰা নতুন দিল্লীৰ ৰাউটালৈ চলিবলগীয়া দুখন ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব।

ooooo

ভাৰতে ২০১৪ চনৰ ২৪৯ গিগাৱাটৰ বিপৰীতে ২০২৫ চনত ৫১০ গিগাৱাটৰো অধিকলৈ স্থাপিত শক্তি উৎপাদন ক্ষমতা বৃদ্ধি কৰিছে। কেন্দ্ৰীয় শক্তি-মন্ত্ৰী মনোহৰ লালে নতুন দিল্লীত

অনুষ্ঠিত ভাৰত বিদ্যুৎ সন্মিলন ২০২৬ত অংশগ্ৰহণ কৰি এই তথ্য প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰতে নিৰ্ভৰযোগ্যতা, সুলভতা আৰু স্থিতিস্থাপকতাৰ আলম লৈ শক্তিৰ প্ৰাচুৰ্য্যৰ নতুন যুগত প্ৰৱেশ কৰিছে। তেওঁ লগতে উল্লেখ কৰে যে, ভাৰত এতিয়া বিশ্বৰ তৃতীয় বৃহত্তম বিদ্যুৎ উৎপাদনকাৰী আৰু ব্যৱহাৰকাৰী।

স্বচ্ছ শক্তিৰ অগ্ৰগতিৰ ওপৰত আলোকপাত কৰি শ্ৰী মনোহৰলালে কয় যে, দেশৰ অজীৱাশ্ম ইন্ধনৰ ক্ষমতা ২০১৪ চনত ৩২ শতাংশৰ পৰা ২০২৫ চনত ৫২ শতাংশলৈ বৃদ্ধি পাই ভাৰতক শক্তি পৰিৱৰ্তনৰ ক্ষেত্ৰত বিশ্বৰ আগশাৰীৰ দেশসমূহৰ মাজত স্থান দিছে।

উল্লেখযোগ্য যে, শক্তি আৰু বিদ্যুৎ খণ্ডৰ সন্মিলন তথা প্ৰদৰ্শনী 'ভাৰত বিদ্যুৎ সন্মিলন ২০২৬' অহা ১৯ৰ পৰা ২২ মাৰ্চলৈ নতুন দিল্লীৰ যশোভূমীত অনুষ্ঠিত হ'ব। চাৰিদিনীয়া এই কাৰ্যসূচীত নীতি নিৰ্ধাৰক, বিভিন্ন উদ্যোগৰ নেতা, বিনিয়োগকাৰী তথা বিশেষজ্ঞসকল একত্ৰিত হৈ বিদ্যুতৰ মূল্য শৃংখলৰ বিষয়ে আলোচনা কৰিব। শক্তি মন্ত্ৰীগৰাকীয়ে ভাষণত উল্লেখ কৰে যে এই সন্মিলনে ভাৰতৰ স্থানীয় শক্তিসমূহক গোলকীয় দৃষ্টিভংগীৰ সৈতে সংযোগ কৰি বহনক্ষম শক্তিৰ ভৱিষ্যৎ গঢ় দিব।

ooooo

ভাৰতীয় উপকূল ৰক্ষী বাহিনীয়ে আৰব সাগৰৰ আন্তঃৰাষ্ট্ৰীয় সামূদ্ৰিক সীমাৰেখাৰ সমীপৰ ভাৰতীয় জলৰাশিৰ ভিতৰত প্ৰৱেশ কৰা এখন পাকিস্তানী নাও জব্দ কৰে। মাছধৰা নাওখনত ৯ জন লোক আছিল। ভাৰতীয় উপকূল ৰক্ষী বাহিনীৰ সূত্ৰই প্ৰকাশ কৰা মতে উপকূল ৰক্ষী বাহিনীয়ে যোৱা বুধবাৰে অল মদিনা নামৰ পাকিস্তানী নাওখন দেখাৰ পাছত নাওখনে পলাই যাবলৈ চেষ্টা চলায়। কিন্তু উপকূল ৰক্ষী বাহিনীৰ জাহাজে নাওখন ধৰিবলৈ সমৰ্থ হয়। তেওঁলোকক অধিক সোধাপোছাৰ বাবে পুৰবন্দৰলৈ লৈ অনা হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ভাৰতীয় উপকূল ৰক্ষী বাহিনীয়ে কয়, যে নিয়াৰিকৈ চলোৱা এই ৰাতিৰ অভিযানে ভাৰতৰ সামূদ্ৰিক নিৰাপত্তাৰ প্ৰতি উপকূল ৰক্ষী বাহনীৰ অটল প্ৰতিশ্ৰুতিবদ্ধতাকে পুনৰ নিশ্চিত কৰিলে।

ooooo

ভাৰতীয় নিৰ্বাচন আয়োগে গোৱা, লক্ষদ্বীপ, ৰাজস্থান, পুডুচেৰী আৰু পশ্চিমবংগত চলি থকা ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণৰ সময়সীমা ১৯ জানুৱাৰীলৈ বৃদ্ধি কৰিছে। ভোটদাতাসকলে ১৯ জানুৱাৰীৰ ভিতৰত তেওঁলোকৰ যিকোনো দাবী বা আপত্তি দাখিল কৰিব পাৰিব। নিৰ্বাচন আয়োগে এই ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়ালৈ প্ৰেৰণ কৰা পত্ৰত উল্লেখ কৰে যে, মুখ্য নিৰ্বাচনী বিষয়া তথা সংশ্লিষ্ট বিষয়াৰ অনুৰোধৰ প্ৰতি লক্ষ্য ৰাখি এই সংশোধিত তাৰিখৰ সিদ্ধান্ত লোৱা হয়।

ooooo

আই চি চি ১৯ বছৰ অনুৰ্ধ পুৰুষ ক্ৰিকেট বিশ্বকাপ ২০২৬ৰ উদ্বোধনী খেলত ভাৰতে আমেৰিকাক ৬ উইকেটত পৰাস্ত কৰিছে। জিম্বাবুৱেৰ বুলাৱায়োৰ কুইন্স স্প'ৰ্টছ ক্লাবত অনুষ্ঠিত

খেলখনত প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ লাভ কৰা আমেৰিকাই ৩৫ অ'ভাৰ আৰু দুটা বলত মাত্ৰ ১০৭ ৰানতে আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হেনিল পেটেলে ৫টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে আৰম্ভণিতেই বৈভৱ সূৰ্যবংশীৰ উইকেট হেৰুৱায় যদিও বৰষুণৰ বাবে খেলখন ৩৭ অভাৰলৈ হ্ৰাস কৰা হয়। পাছলৈ ৯৬ ৰানৰ সংশোধিত লক্ষ্য ভাৰতে সহজেই অতিক্ৰম কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হেনিল পেটেলক প্লেয়াৰ অৱ দ্য মেচৰূপে নিৰ্বাচিত কৰা হয়। কাইলৈ একেটা স্থানতে গ্ৰুপ এৰ দ্বিতীয়খন খেলত ভাৰত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

00000

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেটৰ এখন খেলত যোৱা নিশা ইউপি ৱাৰিয়ৰ্জে মুম্বাই ইণ্ডিয়ানছক ৭ উইকেটত পৰাজিত কৰিছে। প্ৰতিযোগিতাত এয়া ইউপি ৱাৰিয়ৰ্জৰ প্ৰথমটো জয়।

নৱী মুম্বাইৰ ডি ৱাই পাটিল স্প'ৰ্টছ একাডেমীত অনুষ্ঠিত খেলখনত প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ লাভ কৰি মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটত ১৬১ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইউপি ৱাৰিয়ৰ্জে মাত্ৰ ৩টা উইকেট হেৰুৱাই আৰু ১১টা বল বাকী থকা অৱস্থাত সহজেই বিজয়ক্ষ্য অনুসৰণ কৰে। মাত্ৰ ৩9টা বলত ৬৪ ৰান কৰি অপৰাজিত হৈ ৰোৱা ৱাৰিয়ৰ্জৰ হাৰ্লিন দেঅ'ললৈ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়। প্ৰতিযোগিতাত আজি নৱী মুম্বাইত গুজৰাট জায়েণ্টছে - পইণ্ট তালিকাৰ শীৰ্ষত থকা ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া ৭:৩০ বজাত আৰম্ভ হ'ব ।

00000

অষ্ট্ৰেলিয়াৰ মিচ্চেল ষ্টাৰ্কক আই চি চিৰ ২০২৫ চনৰ ডিচেম্বৰৰ শ্ৰেষ্ঠ খেলুৱৈৰূপে নিৰ্বাচিত কৰা হৈছে। শেহতীয়াকৈ গৃহভূমিত ইংলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত এছেজ শৃংখলাত অষ্ট্ৰেলিয়াৰ বলিং আক্ৰমণক দিয়া সফল নেতৃত্বৰ বাবে ষ্টাৰ্কলৈ এই সন্মান যচা হয়।

২০২৩ চনৰ ডিচেম্বৰত পেট কামিনছৰ পাছত দুবছৰৰ মূৰত অষ্ট্ৰেলিয়াৰ কোনো খেলুৱৈয়ে এই বঁটা লাভ কৰিলে।

ইপিনে, দক্ষিণ আফ্ৰিকাৰ ল'ড়া ৱলভাৰ্ড্টক ডিচেম্বৰৰ আই চি চিৰ শ্ৰেষ্ঠ মহিলা খেলুৱৈৰূপে নিৰ্বাচিত কৰা হৈছে।

00000

সমাপ্ত